**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-01-2026 **Time :** 0900 Hrs.

## *Assamese Morning Bulletin*

## <u>Headlines</u>

১। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মানৱতাবাদী আদৰ্শই এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ ধাৰণাক শক্তিশালী কৰিছে বুলি সংসদৰ যুটীয়া অধিবেশনত ৰাষ্ট্ৰপতিৰ মন্তব্য।

২। দুদিনীয়া ভ্ৰমণসূচীৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ আজি অসম আগমন।

৩। গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বাৰ্মা সেতুকে ধৰি মুখ্যমন্ত্ৰীৰ যোৱানিশা কেইবাখনো উৰণ সেতু পৰিদৰ্শন। ফেব্ৰুৱাৰীৰ ভিতৰত যাতায়াতৰ বাবে কেউখন মুকলি।

৪। গোলাঘাট আৰু টীয়ক বিধানসভা সমষ্টিত আজি মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ। গোলাঘাটত ৩১৩ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন।

**আৰু**

৫। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ চলিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলত নিউজিলেণ্ডৰ জয়লাভ।

oooooooo

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মানৱতাবাদী আদৰ্শই **এক ভাৰত শ্ৰেষ্ঠ ভাৰত**ৰ ধাৰণাক শক্তিশালী কৰিছে আৰু তেখেতৰ শিক্ষা আজিও সমগ্ৰ দেশৰ বাবে প্ৰেৰণাৰ উৎস। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে সংসদৰ যুটীয়া অধিবেশন সম্বোধন কৰি কালি এই মন্তব্য কৰে। ভাষণত শ্ৰীমতী মুৰ্মুৱে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বিকাশ আৰু সাংস্কৃতিক ঐতিহ্যক বিশেষ মৰ্যাদা দিয়াৰ লগতে সুধাকণ্ঠ ড০ ভূপেন হাজৰিকা আৰু জাগীৰোডৰ ছেমিকণ্ডাকণ্টৰ বিষয়ে উল্লেখ কৰে। ভাৰতৰত্ন ড০ ভূপেন হাজৰিকাৰ জন্মশতবাৰ্ষিকীৰ বিষয়ে উনুকিয়াই তেওঁ কয় যে, তেখেতৰ কালজয়ী গীতসমূহে দেশবাসীক একতাৰ সুৰেৰে বান্ধি ৰাখিছে। প্ৰযুক্তিৰ ক্ষেত্ৰত ভাৰতৰ অগ্ৰগতিৰ বিষয়ে উল্লেখ কৰি অসমৰ জাগীৰোডত স্থাপন কৰা ছেমিকণ্ডাকণ্টৰ উদ্যোগে ৰাজ্যখনক বিশ্বৰ বৈদ্যুতিন সামগ্ৰীৰ আয়ুষ ৰেখা ৰূপে গঢ়ি তুলিব বুলি মন্তব্য কৰে। শ্ৰীমতী মুৰ্মুৱে লগতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ উন্নীত যাতায়ত আৰু যোগাযোগ ব্যৱস্থা সন্দৰ্ভতো ভাষণত আলোকপাত কৰে। বিশেষকৈ অসম আৰু পশ্চিমবংগৰ মাজত নতুনকৈ আৰম্ভ হোৱা **বন্দে ভাৰত শ্লিপাৰ** ট্ৰেইন সেৱাই উত্তৰ পূৰ্বাঞ্চলৰ যাত্ৰীসকলৰ বাবে আধুনিক তথা আৰামদায়ক যাত্ৰাৰ সূচনা কৰা বুলি তেওঁ মন্তব্য কৰে। তেওঁ লগতে বিগত ১১ বছৰত উত্তৰ পূৰ্বাঞ্চলত ৭ হাজাৰ ২০০ কিলোমিটাৰৰো অধিক দৈৰ্ঘ্যৰ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰা হৈছে বুলি

প্ৰকাশ কৰে। তেওঁ কয় যে  ইয়াৰ ফলত দূৰণিবটীয়া দুৰ্গম এলেকা, পাৰ্বত্য এলেকা, জনজাতি বসতিপ্ৰধান অঞ্চল আৰু সীমান্ত এলেকাসমূহৰ সৈতে যোগাযোগ সুচল হৈছে।

শিৱসাগৰত স্থাপন হ'বলগীয়া নতুন চিকিৎসা মহাবিদ্যালয়, অৰুণাচল প্ৰদেশৰ ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠান, ত্ৰিপুৰাৰ আগৰতলাৰ মাতৃ আৰু শিশুৰ বিশেষ চিকিৎসালয় আদিয়ে উত্তৰ-পূৰ্বাঞ্চলৰ চিকিৎসা খণ্ডলৈ অভূতপূৰ্ব পৰিৱৰ্তন অনা বুলি শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে।

oooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। এই ভ্ৰমণকালত তেওঁ ডিব্ৰুগড়ত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।  কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কাইলৈ ডিব্ৰুগড়ত অসম বিধানসভাৰ দ্বিতীয়টো চৌহদৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে জিলাখনৰ ক্ৰীড়া খণ্ডত নতুন যুগৰ সূচনাৰে খনিকৰত বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ উদ্বোধন কৰাৰ উপৰি দ্বিতীয় পৰ্যায়ৰ কামৰ আধাৰশিলা স্থাপন কৰিব। মুঠ ৪৪৭ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ত ২৩৮ কোটি টকা ব্যয় সাপেক্ষে ইনড'ৰ ষ্টেডিয়াম, ফুটবল খেলপথাৰ, দুখন লন টেনিছ ক'ৰ্ট, দুখন ভলীবল ক'ৰ্ট, এখন বাস্কেটবল ক'ৰ্ট, ছুইমিং পুল, ল'ৰা-ছোৱালীৰ আবাস আদি নিৰ্মাণ কৰা হৈছে। খনিকৰ পেৰেড গ্ৰাউণ্ডত কাইলৈ দিনৰ ১১ বজাত হ'বলগীয়া এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচা উপস্থিত থাকিব।

শ্ৰীশ্বাহে এই অনুষ্ঠানতে উত্তৰ-পূৰ্বাঞ্চলত বন্যপ্ৰাণী সংৰক্ষণৰ অভিলাষী পদক্ষেপ হিচাপে ডিব্ৰুগড়ৰ দিনজানত বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠানৰ আধাৰশিলা স্থাপন কৰিব। ২৯২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই প্ৰতিষ্ঠানত বন্যপ্ৰাণী, স্বাস্থ্য নিৰীক্ষণ, বিভিন্ন প্ৰকাৰৰ ৰোগ নিৰ্ণয়, উন্নত পৰীক্ষাগাৰৰ সুবিধা থকাৰ লগতে বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত কাম কৰা পেচাদাৰী লোকসকলক প্ৰশিক্ষণৰো ব্যৱস্থা থাকিব।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী ডিব্ৰুগড় ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনৰ প্ৰস্তুতি সন্দৰ্ভত সবিশেষ জনাই আমাৰ ডিব্ৰুগড়ৰ সংবাদদাতা যাদৱ গগৈয়ে-

**ভইচকাষ্ট (যাদৱ গগৈ)**

শ্ৰীশ্বাহে কাইলৈ বিয়লি ধেমাজীত মিছিং যুৱ মহোৎসৱৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব। সন্ধিয়াৰ ভাগলৈ তেওঁ ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত ৰাজনৈতিক আলোচনাত অংশ ল'ব।

oooooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি নিশা গুৱাহাটীৰ নিৰ্মীয়মান উৰণ সেতু, গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী সেতু পৰিদৰ্শন কৰি কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে নিৰ্মাণকাৰ্যৰ সৈতে জড়িত অভিযন্তা, বিষয়া-কৰ্মচাৰীসকলৰ সৈতে মত বিনিময় কৰে। ড০ শৰ্মাই গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী ছয়লেনযুক্ত কুমাৰ ভাস্কৰ বাৰ্মা সেতু সন্দৰ্ভত সাংবাদিকৰ আগত কয়, যে এই দলংখন অহা ১৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰিব। অৱশ্যে উত্তৰ গুৱাহাটীৰ গৌৰীপুৰত ট্ৰাম্পেড নিৰ্মাণৰ কাম চলি থকাৰ ফলত উদ্বোধনৰ পাছত এই দলঙেৰে যাতায়াত কৰা যান-বাহনসমূহ আই আই টি গুৱাহাটীৰ সমীপেৰে যোৱা এটা সৰু পথেৰে ৰাষ্ট্ৰীয় ঘাইপথত উঠিব লাগিব বুলি তেওঁ জানিবলৈ দিয়ে।

মুখ্যমন্ত্রীগৰাকীয়ে নুনমাটি-দীঘলীপুখুৰীপাৰ সংযোগী মহাৰাজ পৃথু উৰণ সেতুখনৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰি পৰ্যায়ক্ৰমে আৰু যথাসময়ত এই সেতুখন মুকলি কৰা হ'ব বুলি প্ৰকাশ কৰে। তেওঁ লগতে এই নিৰ্মাণ কাৰ্যই জনসাধাৰণৰ যাতায়াত যাতে ব্যাঘ্যাত নজন্মাই সেয়া সুনিশ্চিত কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

**বাইট (চি এম)**

ভৰলুমুখৰ নিৰ্মীয়মান উৰণ সেতু অহা ২০ৰ পৰা ২২ ফেব্ৰুৱাৰীৰ ভিতৰত আৰু চাইকেল ফেক্টৰীৰ নিৰ্মীয়মান উৰণ সেতুখন বিহুৰ সময়ত মুকলি কৰা হ'ব বুলি ড০ শৰ্মাই সাংবাদিকৰ আগত প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে যোৰহাট আৰু ডিফুত নিৰ্মীয়মান উৰণ সেতুকেইখনৰ কামো ফেব্ৰুৱাৰীৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি জানিবলৈ দিয়ে। এতিয়াৰে পৰা উৰণ সেতু নিৰ্মাণৰ ক্ষেত্ৰত থলুৱা যুৱক-যুৱতীক অধিক প্ৰাধান্য দিয়া হ'ব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে।

00000000

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাট আৰু টীয়ক  বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ কৰিব। ইয়াৰে গোলাঘাট বিধানসভা সমষ্টিৰ কাৰ্যসূচীত ড০ শৰ্মাই বিভিন্ন আত্মসহায়ক গোটৰ ৩৬ হাজাৰ ৮৭৩ গৰাকী মহিলাক মুখ্যমন্ত্ৰীৰ উদ্যমিতা পুঁজিৰ এই ধনৰাশি আগবঢ়াব। মুখ্যমন্ত্ৰীয়ে লগতে ৩১৩ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন কৰিব। তেওঁ ৪ কোটি টকা ব্যয়ৰে নিৰ্মিত মুকলি প্ৰেক্ষাগৃহ, ৭ কোটি টকা ব্যয় সাপেক্ষ বালিজান উচ্চতৰ মাধমিক বিদ্যালয়ৰ নতুন ভৱন আৰু ৪ কোটি টকা ব্যয়ৰে নিৰ্মিত চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱনো মুকলি কৰিব। মুখ্যমন্ত্ৰীয়ে এই ভ্ৰমণতে ১০৪ কোটি টকা ব্যয় সাপেক্ষ গোলাঘাট-মেৰাপানী পথ আৰু ১০৬ কোটি টকা ব্যয় সাপেক্ষ পদুমণি-ৰঙাজান পথো মুকলি কৰিব। তেওঁ সংহত জিলা আয়ুক্তৰ কাৰ্যালয় আৰু চৰকাৰী আদৰ্শ স্নাতক মহাবিদ্যালয়ো উদ্বোধন কৰিব।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি শিৱসাগৰৰ ডিমৌ আৰু লখিমপুৰৰ ৰঙানদী সমষ্টিত দুখন জনসভাত অংশ লৈ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ প্ৰথম পৰ্যায়ৰ ১০ হাজাৰ টকাৰ চেক আনুষ্ঠানিকভাৱে বিতৰণ কৰে। দুয়োটা সমষ্টিৰ মুঠ ৫৭ হাজাৰ ৪৬ গৰাকী হিতাধিকাৰীক আঁচনিখনৰ প্ৰাৰম্ভিক পুঁজি বিতৰণ কৰা হয়।

00000000

৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ সামৰণি উপলক্ষে নতুন দিল্লীৰ বিজয় চ'কত আজি বীটিং ৰিট্ৰিট-২০২৬ অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে অন্যান্য কেন্দ্ৰীয় মন্ত্ৰীসকল উপস্থিত থাকিব। অনুষ্ঠানত স্থল সেনা, নৌ সেনা, বায়ু সেনা আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ বেণ্ড প্ৰদৰ্শন কৰা হ'ব। দেশৰ চহকী সাংস্কৃতিক ঐতিহ্যক প্ৰতিফলিত কৰি এইবাৰ বিজয় চ'কত দৰ্শকৰ আসনসমূহ ভাৰতৰ বিভিন্ন বাদ্যযন্ত্ৰৰ নামেৰে নামকৰণ কৰা হৈছে।

00000000

বিমান দুৰ্ঘটনাত কালি মৃত্যু হোৱা মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰৰ অন্ত্যেষ্টিক্ৰিয়া আজি দিনৰ প্ৰায় ১১ বজাত পুণেৰ বাৰামতীত সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হ'ব। পাৱাৰৰ অন্ত্যেষ্টিক্ৰিয়াত কেন্দ্ৰীয়

গৃহমন্ত্ৰী অমিত শ্বাহ, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নবিছ আৰু ৰাজ্যিক মন্ত্ৰীসভাৰ অন্যান্য সদস্যসকল উপস্থিত থাকিব।

০০০০০০০০

অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটৰ আকাশবাণী গুৱাহাটীৰ ‘দৃষ্টিপাত’ অনুষ্ঠানত পদপথত আশ্ৰিত শিশুৰ সুৰক্ষা আৰু ভৱিষ্যত শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ’ব। আলোচনাত সক্ৰিয় শিশু অধিকাৰ কৰ্মী তথা সামাজিক বিশ্লেষক জিতু দত্ত আৰু শিশু সুৰক্ষাৰ বাবে কাম কৰি অহা সংস্থা কেয়াৰ ইউ-৩৬৫ ৰ মুৰববী ভৃগু বৰঠাকুৰে অংশগ্ৰহণ কৰিব। অনুষ্ঠানৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে। অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ চলিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ যোৱা নিশা বিশাখাপট্টনমত অনুষ্ঠিত চতুৰ্থখন খেলত নিউজিলেণ্ডে ভাৰতক ৫০ ৰানত পৰাজিত কৰে। খেলখনত নিউজিলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ২১৫ ৰান সংগ্ৰহ কৰে। টীম ছেফাৰ্টে ৬২ আৰু ডেভন কনৱেই ৪৪ ৰান কৰে। ভাৰতৰ হৈ অৰ্শ্বদীপ সিং আৰু কুলদীপ যাদৱে দুটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত ভাৰতে ১৮ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৭৫ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলৰ হৈ শিৱম ডুবেই ৬৫ আৰু ৰিংকু সিঙে ৩৯ ৰানৰ বৰঙণি আগবঢ়ায়। নিউজিলেণ্ডৰ অধিনায়ক মিচ্চেল ছেণ্টনাৰে তিনিটা উইকেট দখল কৰে। ছেফাৰ্টক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়। পাঁচখনীয়া এই শৃংখলাত ভাৰতে ইতিমধ্যে ৩ খন খেলত জয়লাভ কৰি শৃংখলা দখল কৰিছে। প্ৰতিযোগিতাৰ অন্তিমখন খেল অহা দেওবাৰে তিৰুৱানন্তপুৰমৰ গ্ৰীনফিল্ড ষ্টেডিয়ামত অনুষ্ঠিত হ’ব।

০০০০০০০০

অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়নত বিশেষ গুৰুত্ব দিয়া বুলি ৰাষ্ট্ৰপতিৰ মন্তব্য, মহাৰাষ্ট্ৰৰ উপ মুখ্যমন্ত্ৰী অজিত পাৱাৰৰ বিমান দুৰ্ঘটনাত হোৱা মৃত্যু , ৰাজ্যৰ প্ৰাক নিৰ্বাচনী পৰিৱেশ আৰু তৎপৰতা , গৃহমন্ত্ৰী অমিত শ্বাহৰ অসম ভ্ৰমণ আদি গুৰুত্বপূৰ্ণ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ শিৰোনাম দখল কৰিছে।

মুম্বাইৰ পৰা বাৰামতীলৈ বিমানেৰে যাত্ৰা কৰাৰ সময়ত এটা শোকাৱহ দুৰ্ঘটনাত মহাৰাষ্ট্ৰৰ উপ মুখ্যমন্ত্ৰী তথা NCPৰ জ্যেষ্ঠ নেতা অজিত পাৱাৰকে ধৰি কেইবাজনো অৰোহীৰ মৃত্যু হোৱাৰ বাতৰিটো অসমীয়া প্ৰতিদিন , অসমীয়া খবৰ, দা ছেন্টিনেলকে ধৰি আজি প্ৰতিখন কাকতৰেই এটা মুখ্য বাতৰিৰূপে প্ৰকাশ পাইছে। ইপিনে এই দুৰ্ঘটনাক ৰাজনৈতিক কূটাঘাত বুলি পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে প্ৰকাশ কৰা সন্দেহকলৈ এটা বাতৰি "আমাৰ অসম" কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। দৈনিক অসম কাকতে একেটা বাতৰিৰ "মমতা বেনাৰ্জীৰ বিস্ফোৰণ, ৰাজনৈতিক ষড়যন্ত্ৰৰ বলি হৈ প্ৰাণ হেৰুৱালে পাৱাৰে – উচ্চতম ন্যায়ালয়ৰ নিৰীক্ষণত নিৰপেক্ষ তদন্ত দাবী কৰিলে পশ্চিমবংগৰ মুখ্যমন্ত্ৰীয়ে" শিৰোনাম দিছে।

আসন্ন নিৰ্বাচনৰ বাবে বিজেপিয়ে ইতিমধ্যে ৫০ গৰাকী প্ৰাৰ্থীৰ তালিকা থিৰাং কৰা বুলি মুখ্যমন্ত্ৰী ড ° হিমন্ত বিশ্ব শৰ্মাই কৰা মন্তব্যক "নিয়মীয়া বাৰ্তা" কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ৰাজ্যৰ নিৰ্বাচনকেন্দ্ৰিক আন এটা বাতৰি দৈনিক অগ্ৰদূত কাকতে "অৱশেষত অন্ত পৰিল প্ৰক্ৰিয়া , ১২৬টা সমষ্টিৰ বিপৰীতে কংগ্ৰেছৰ প্ৰাৰ্থিত্বৰ বাবে ৭৭০ খন আবেদন দাখিল" শিৰোনামেৰে প্ৰকাশ কৰিছে।

সংসদৰ বাজেট অধিৱেশনত দিয়া ভাষণত কালি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ উন্নয়নৰ যাত্ৰাত অসমৰ ভূমিকাৰ বিশেষভাৱে উল্লেখ কৰাৰ বাতৰি এটা দৈনিক জনমভূমিয়ে আজি প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটোৰ দি আছাম ট্ৰিবিউনে দিয়া শিৰোনাম – SPECIAL EMPHASIS ON DEVELOPMENT OF NORTHEAST, BUDGET SESSION OF PARLIAMENT GETS UNDERWAY.

সাংসদ গৌৰৱ গগৈৰ – পাকিস্তানৰ সৈতে সম্পৰ্ক থকাৰ অভিযোগ সন্দৰ্ভত ৮ ফেব্ৰুৱাৰীত সকলো তথ্য ৰাজহুৱা কৰা হ 'ব বুলি মুখ্যমন্ত্ৰী ড ° হিমন্ত বিশ শৰ্মাৰ ঘোষণা – নিয়মীয়া বাৰ্তা কাকতৰ আজিৰ প্ৰথম পৃষ্ঠাৰ এটা অন্যতম বাতৰি।

oooooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চল পুৱাৰ ভাগত কুঁৱলীয়ে আৱৰি থাকিব যদিও দিনৰ ভাগলৈ বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, আৰু ত্ৰিপুৰাৰ বতৰ শুকান হোৱাৰ লগতে অৰুণাচল প্ৰদেশৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooooo

যোৰহাটৰ ফৰমুদ আলি পথৰ নিবাসী সৰবৰহী মহিলা জাহানাৰা মজিনদাৰ বৰুৱাৰ আজি পুৱা নিজা বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৫ বছৰ।

oooooooo

সমাপ্ত